কোনো সৎকৰ্মকেই তুমি তুচ্ছ জ্ঞান নকৰিবা। যদিও সেইটো তোমাৰ (মুছলিম) ভাতৃৰ সৈতে হাঁহিমুখে সাক্ষাৎ কৰাই নহওক কিয়।

আবু জৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মোক উদ্দেশ্যি কৈছিলঃ কোনো সৎকৰ্মকেই তুমি তুচ্ছ জ্ঞান নকৰিবা। যদিও সেইটো তোমাৰ (মুছলিম) ভাতৃৰ সৈতে হাঁহিমুখে সাক্ষাৎ কৰাই নহওক কিয়।
[ছহীহ] [(মুছলিম)]

হাদীছটোত নবী চাল্লাল্লাহু ‘আলাইহি অছাল্লামে সৎকৰ্ম কৰিবলৈ উৎসাহিত কৰিছে। যিকোনো সৎকৰ্মকে তুচ্ছ জ্ঞান কৰা উচিত নহয়; সেয়া পৰিমাণত যিমানেই কম নহওক কিয় বা যিমানেই সৰু নহওক কিয়। আনকি সাক্ষাতৰ সময়ত হাঁহিমুখে সাক্ষাৎ কৰাটোও হৈছে এক প্ৰকাৰ সৎকৰ্ম। গতিকে প্ৰতিজন মুছলিমে এনেকুৱা সৰু-সুৰা সৎকৰ্মৰ বিষয়ে যত্নশীল হোৱা উচিত; কাৰণ ইয়াৰ দ্বাৰা মুছলিম ভাতৃৰ সৈতে ঘনিষ্ঠতা বৃদ্ধি হয় আৰু সাক্ষাতত আনন্দৰ বহি:প্রকাশ ঘটে।

http://sunnah.global/hadeeth/as/show/5348